# 63/1 (SEM–5) DSE 2/ASMHE5026

## 2022

( Held in 2023 )

## ASSAMESE

Paper : ASMHE5026

**( Introduction to Assamese Grammar )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ : ১×৬=৬

(ক) অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ লেখকজন কোন?

*(i)* নাথান ব্ৰাউন

*(ii)* মাইলছ ব্ৰন্সন

*(iii)* উইলিয়াম ৰবিন্সন

*(iv)* জি. এফ. নিকল

(খ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হ'ল

*(i)* ৭টা

*(ii)* ৮টা

*(iii)* ১১টা

*(iv)* ১০টা

(গ) তলৰ কোনকেইটা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ উদাহৰণ?

*(i)* -আও, -অনা, বি-

*(ii)* -ঈ, -অনী, -উনী

*(iii)* -জন, -টো, -খন

*(iv)* -গৈ, -চোন, -হি

(ঘ) গাঁথনিক দিশৰ পৰা বাক্য

*(i)* তিনি প্ৰকাৰৰ

*(ii)* পাঁচ প্ৰকাৰৰ

*(iii)* সাত প্ৰকাৰৰ

*(iv)* দুই প্ৰকাৰৰ

(ঙ) *Assamese, Its Formation and Development* গ্ৰন্থখনৰ লেখক হ'ল

*(i)* বাণীকান্ত কাকতি

*(ii)* দেৱানন্দ ভৰালি

*(iii)* কালিৰাম মেধি

*(iv)* গোলোকচন্দ্ৰ গোস্বামী

(চ) 'মাইহাং', 'বুৰঞ্জী', 'কাৰেং'—এই শব্দকেইটা কোনটো ভাষাৰ পৰা অহা?

*(i)* অষ্ট্ৰিক

*(ii)* দ্ৰাবিড়

*(iii)* টাই-আহোম

*(iv)* বড়ো





২। চমুকৈ উত্তৰ লিখাঁ : ২×৫=১০

(ক) গোলোকচন্দ্ৰ গোস্বামীৰ দুখন ব্যাকৰণ পুথিৰ নাম লিখাঁ।

(খ) অসমীয়া ভাষাত স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য আছেনে? অসমীয়া ভাষাৰ কেন্দ্ৰীয় স্বৰধ্বনিটো কি?

(গ) মুক্ত ৰূপ কাক বোলে? উদাহৰণসহ লিখাঁ।

(ঘ) অসমীয়া ভাষাৰ অনিৰ্দিষ্টতাবাচক দুটা ৰূপ উল্লেখ কৰাঁ।

(ঙ) 'তৎসম' শব্দৰ অৰ্থ কি? দুটা তৎসম শব্দ উল্লেখ কৰাঁ।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৫×৬=৩০

(ক) বাক্যত 'যোগ্যতা', 'আকাংক্ষা' আৰু 'আসত্তি' কি, চমুকৈ আলোচনা কৰাঁ।

(খ) বচন নিৰপেক্ষ ৰূপ বুলিলে কি বুজায়? অসমীয়া ভাষাত বহুবচন বুজোৱাৰ উপায়সমূহৰ বিষয়ে আলোচনা কৰাঁ।

(গ) ধ্বনিৰ বিৰোধ বিচাৰ কি? অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ আধাৰত কি কি অৱস্থানত বিৰোধ পোৱা যায়, উদাহৰণসহ আলোচনা কৰাঁ।

(ঘ) অৱস্থানগতভাৱে সৰ্গ কেইপ্ৰকাৰৰ? অসমীয়া ভাষাত এই আটাইপ্ৰকাৰৰ সৰ্গ পোৱা যায়নে উল্লেখ কৰি এটি টোকা প্ৰস্তুত কৰাঁ।

(ঙ) অসমীয়া ভাষাত লিঙ্গ নিৰূপণৰ প্ৰক্ৰিয়াসমূহ আলোচনা কৰাঁ।

(চ) ক্ৰিয়াপদ কাক বোলে? অসমীয়া ভাষাৰ ক্ৰিয়াপদৰ বিভিন্ন শ্ৰেণীসমূহৰ বিষয়ে লিখাঁ।

(ছ) শব্দ-সাধনমূলক সৰ্গ আৰু বিভক্তিমূলক সৰ্গৰ তুলনা দাঙি ধৰাঁ।

(জ) বাক্যৰ ৰূপান্তৰ প্ৰক্ৰিয়া সম্পৰ্কে এটি টোকা যুগুত কৰাঁ।

(ঝ) পৰম্পৰাগত আৰু আধুনিক ব্যাকৰণৰ পাৰ্থক্যসমূহ আলোচনা কৰাঁ।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ১০×২=২০

(ক) বাক্যক কি কি দিশৰ পৰা শ্ৰেণীবিভাগ কৰিব পাৰি উল্লেখ কৰি অসমীয়া ভাষাৰ বাক্যৰ প্ৰকাৰসমূহ আলোচনা কৰাঁ।

(খ) বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি? এখনি তালিকা প্ৰস্তুত কৰি ধ্বনিগুণ বিচাৰ কৰাঁ। ৪+৬=১০

(গ) অসমীয়া ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ১৪

(ক) "অসমীয়া ব্যাকৰণৰ ইতিহাস মূলতঃ পঢ়াশলীয়া ব্যাকৰণৰ ইতিহাস।" কথাষাৰৰ যুক্তিযুক্ততা প্ৰমাণ হোৱাকৈ অসমীয়া পঢ়াশলীয়া ব্যাকৰণ ধাৰাটোৰ বিষয়ে বহলাই আলোচনা কৰাঁ।

(খ) 'অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ'—এই শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰাঁ।

★★★